# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-12-2025
**Time :** 1910 Hrs.

00000000000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া মালয়েছিয়া ভ্ৰমণ সামৰি নতুন দিল্লীলৈ ৰাওনা হৈছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছত্তিশগড় ৰাজধানী ৰায়পুৰত দুখন উচ্চ পৰ্যায়ৰ বৈঠকত নক্সালবিৰোধী অভিযান আৰু বিভিন্ন উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰে।

৩। চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনী চেন্নাই আৰু মুম্বাইৰ সফল আলোচনাৰ পাছত নতুন দিল্লীত উপস্থিত হৈছে।

৪। এছিয়ান ৰাইফল চেম্পিয়নশ্বিপ ২০২৬ত ভাৰতৰ অৰ্জুন বাবুটা আৰু ইলাভেনিল বালাৰিভানৰ যুটীয়ে সোণৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ তৃতীয়খন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া মালয়েছিয়া ভ্ৰমণ সামৰি নতুন দিল্লীলৈ ৰাওনা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক সহযোগিতা, বাণিজ্য, বিনিয়োগ আৰু প্ৰযুক্তিৰ অংশীদাৰিত্ব সুদৃঢ় কৰাত অধিক গুৰুত্ব আৰোপ কৰিছে। কালি ভাৰত-মালয়েছিয়া মুখ্য কাৰ্যবাহী বিষয়াৰ মঞ্চৰ দশম বৈঠকত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীৰ সন্মুখত আলোচনাৰ ফলাফলৰ নথি দাখিল কৰা হয়। ইয়াৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে মালয়েছিয়াৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত-বিনিময় কৰে আৰু ভাৰতত তেওঁলোকৰ বিনিয়োগ তথা সম্প্ৰসাৰণৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে দুয়োখন দেশৰ মাজত কৃষিজাত সামগ্ৰী, ৰাসয়নিক পদাৰ্থ, খনিজ পদাৰ্থ, বৈদ্যুতিক সঁজুলি, যন্ত্ৰপাতি আদি বাণিজ্যিক আদান-প্ৰদান কৰা হয়। প্ৰযুক্তি খণ্ডতো দুয়োখন দেশে ক্ৰমান্বয়ে গুৰুত্ব আৰোপ কৰিছে। অৰ্ধপৰিবাহী আৰু ডিজিটেল প্ৰযুক্তিৰ সৈতে জড়িত দিশসমূহত আগবাঢ়ি যাবলৈও ভাৰত-মালয়েছিয়া ডিজিটেল পৰিষদ কাৰ্যক্ষম হৈ উঠিছে। "ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান মাদ্ৰাজ গ্লোবেল" আৰু মালয়েছিয়াৰ এডভান্সড ছেমিকণ্ডাক্টৰ একাডেমীৰ মাজত হোৱা চুক্তিয়ে প্ৰযুক্তি উদ্ভাৱন, কৰ্মসংস্থাপনৰ বিকাশ আৰু স্থিতিস্থাপক যোগান শৃংখল সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

আমাৰ আগৰ বাতৰিত কোৱা হৈছে যে শ্ৰীমোদীয়ে আজি কোৱালালামপুৰত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। দুয়োগৰাকী নেতাৰ মাজৰ এই আলোচনাত প্ৰতিৰক্ষা আৰু সুৰক্ষামূলক সহযোগিতাৰ সম্পৰ্কৰ লগতে অৰ্থনৈতিক আৰু উদ্ভাৱনৰ দিশত সহযোগিতাৰ বিষয়তো গুৰুত্ব আৰোপ কৰা হয়। প্ৰধানমন্ত্ৰী দুগৰাকীৰ এই আলোচনাৰ সময়ত উভয় পক্ষৰ মাজত দুৰ্যোগ ব্যৱস্থাপনা, দৃশ্য-শ্ৰাব্য মাধ্যমৰ বাবে যৌথ প্ৰযোজনা, ছেমি কণ্ডাক্টৰ আৰু সুৰক্ষাকে ধৰি বিভিন্ন দিশ সামৰি কেইবাখনো বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ইয়াৰ ফলত দুয়োপক্ষৰ মাজত সন্ত্ৰাসবাদ বিৰোধী পদক্ষেপ, চোৰাংচোৰাৰ তথ্যৰ আদান-প্ৰদান সামুদ্ৰিক নিৰাপত্তা আৰু প্ৰতিৰক্ষাৰ দৰে বিষয়সমূহত সহযোগিতা বৃদ্ধি পাব। সন্ত্ৰাসবাদৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি স্পষ্ট বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশখনে এই বিষয়ত কোনো ধৰনে আপোচ নকৰাৰ লগতে দুমুখীয়া নীতি গ্ৰহণ নকৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছত্তিশগড় ৰাজধানী ৰায়পুৰত দুখন উচ্চ পৰ্যায়ৰ বৈঠকত নক্সালবিৰোধী অভিযান আৰু বিভিন্ন উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা কৰে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে গৃহমন্ত্ৰীগৰাকীয়ে কয় যে নিৰাপত্তাকেন্দ্ৰিক কৌশল, আন্তঃগাঁথনি শক্তিশালী কৰা, নক্সালৰ বিত্তীয় নেটৱৰ্ক দমন কৰা আৰু আত্মসমৰ্পনৰ নীতিয়ে ইতিবাচক ফলাফল প্ৰদান কৰিছে। তেওঁ লগতে কয় যে অহা ৩১ মাৰ্চৰ পূৰ্বে নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল হ'ব। এসময়ত নক্সাল হিংসাৰ দুৰ্গ হিচাপে পৰিগণিত হোৱা ছত্তিশগড় বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰৰ অধীনত উন্নয়নৰ প্ৰতীক হৈ পৰিছে বুলিও শ্ৰীশ্বাহে কয়। তেওঁ লগতে কয় যে ৰাজ্যখনৰ যুৱক-যুৱতীসকলে ক্ৰীড়া, ফৰেণচিক আৰু কাৰিকৰী শিক্ষাৰ প্ৰসাৰৰ লগতে নিজৰ সংস্কৃতি-পৰম্পৰা ৰক্ষা কৰি আগবাঢ়িছে। আজিৰ বৈঠকত ছত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাই, উপ-মুখ্যমন্ত্ৰী বিজয় শৰ্মা, আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়সকল উপস্থিত থাকে।

ooooo

চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনী চেন্নাই আৰু মুম্বাইৰ সফল আলোচনাৰ পাছত নতুন দিল্লীত উপস্থিত হৈছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ৰাষ্ট্ৰপতি হৰ্মিনীক আদৰণি জনায়। সামাজিক মাধ্যমৰ বাৰ্তাযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনাইছে যে ইয়াৰ পূৰ্বে চিচিলিৰ ৰাষ্ট্ৰপতিয়ে চেন্নাই আৰু মুম্বাই ভ্ৰমণ কৰিছিল আৰু শাসন, উদ্যোগ, উপকূলীয়া ব্যৱস্থাপনা আৰু স্বাস্থ্য খণ্ডকে ধৰি মূল অংশীদাৰসকলক সাক্ষাৎ কৰে।

উল্লেখযোগ্য যে চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনী আৰু তেওঁৰ পত্নী ভেৰোনিক হৰ্মিনী কালি পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে মুম্বাইত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াৰ পাছতে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে আৰু ভাৰতীয় উদ্যোগ পৰিসংঘই আয়োজন কৰা ভাৰত-চিচিলি ব্যৱসায়িক ঘূৰণীয়া মেজমেলত ভাগ লয়।

মেজমেলত ৰাষ্ট্ৰপতি হৰ্মিনীয়ে কয়, যে বিগত ৫০ বছৰত দুয়োদেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় হৈছে আৰু তেওঁৰ দেশে এই সহযোগিতা সম্প্ৰসাৰণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। তেওঁ কয়, যে চিচিলিয়ে বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰ দেশ হিচাপে ভাৰতক সন্মান কৰে। মেজমেলত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে দুয়োখন দেশ বিশ্বাসযোগ্য সহযোগিতাৰ ডোলেৰে বন্ধা আৰু জনসম্পৰ্ক তথা সামুদ্ৰিক সম্পৰ্ক এই সহযোগিতাৰ মূল ভেঁটি। বিগত সময়ছোৱাত এই সহযোগিতা স্বাস্থ্যসেৱা, শিক্ষা, সামুদ্ৰিক সুৰক্ষা আৰু দুৰ্যোগ ব্যৱস্থাপনা ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হোৱা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰীসোণোৱালে কয়, যে দুয়োখন দেশৰ মাজত বৰ্ধিত ব্যৱসায়, বিনিয়োগ, মুম্বাই আৰু মাহেৰ মাজত পোনপটীয়া যোগাযোগ, ভাৰতৰ বন্দৰ আধাৰিত অৰ্থনৈতিক আৰু কৌশলগত সহযোগিতাই নতুন সুযোগ সৃষ্টি কৰিছে।

উল্লেখযোগ্য যে ভাৰত আৰু চিচিলিৰ কূটনৈতিক সম্পৰ্কৰ সোণালী জয়ন্তী উপলক্ষে দেশখনৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনীৰ এই ভ্ৰমণৰ আয়োজন কৰা হৈছে।

ooooo

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈক এগৰাকী পাকিস্তানী এজেণ্ট বুলি অভিযোগ কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ নাগৰিক আলি তৌকিৰ শ্বেখ নামৰ এজন লোকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে বুলি অভিযোগ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই সম্পৰ্কে তেওঁৰ হাতত ভালেমান প্ৰমাণ আছে। অসম আৰক্ষীৰ দ্বাৰা গঠিত এছ্ আই টিৰ প্ৰতিবেদনৰ আধাৰত চি আই ডিত এই সম্পৰ্কত এটা গোচৰো ৰুজু কৰা হৈছে বুলি তেওঁ কয়। বিষয়টোৰ গুৰুত্বলৈ লক্ষ্য ৰাখি এই প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এছ্ আই টিৰ প্ৰতিবেদনৰ আধাৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই যোৱা সময়ছোৱাত সাংসদ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তান ভ্ৰমণ আৰু পাকিস্তানৰ নাগৰিকৰ সৈতে কৰা যোগাযোগৰ কেতবোৰ গুৰুত্ব পূৰ্ণ তথ্য সংবাদমেলত সদৰি কৰে।

ooooo

হাৰিয়ানা চৰকাৰে কালি বিয়লি ফৰিদাবাদৰ সুৰজকুণ্ড মেলাত সংঘটিত দূৰ্ঘটনাত আহত লোকসকলৰ সম্পূৰ্ণ চিকিৎসা ব্যয় বহন কৰিব। হাৰিয়ানা পৰ্য্যটন আয়োগৰ পৰিচালন সঞ্চালক পাৰ্থ গুপ্তাই আজি সাংবাদিকৰ সৈতে হোৱা কথা বাৰ্তাত এই কথা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দূৰ্ঘটনাটোত উদ্ধাৰকাৰ্যত নিয়োজিত এগৰাকী আৰক্ষী বিষয়া নিহত হৈছে। দূৰ্ঘটনাটোৰ পিছতেই মেলাখন তাৎক্ষণিকভাৱে বন্ধ কৰাৰ লগতে তদন্তৰ বাবে এখন উচ্চস্তৰীয় কমিটি গঠন কৰাৰ কথাও পাৰ্থ গুপ্তাই প্ৰকাশ কৰিছে।

ooooo

বাংলাদেশ নেশ্যনেল পাৰ্টি বা বি. এন. পি.-য়ে বাংলাদেশৰ আগন্তুক নিৰ্বাচনত হস্তক্ষেপ কৰিবলৈ সমন্বিত পৰিকল্পনা চলি আছে বুলি অভিযোগ কৰিছে। দলটোৰ নিৰ্বাচনী পৰিচালনা সমিতিৰ মুখপাত্ৰ মাহদী আমিনে ঢাকাত আজি এখন সংবাদমেলত এটা ৰাজনৈতিক দলে জালিয়াতি ভোটদানৰ সুবিধাৰ বাবে বৃহৎ সংখ্যক বাৰ্গা আৰু নিগাব প্ৰস্তুত কৰি আছে বুলি দাবী কৰিছে। তেওঁ ইয়াক নিৰ্বাচনী অভিযান্ত্ৰিক বুলিও অভিহিত কৰিছে। লক্ষ্মীপুৰত শেহতীয়াকৈ সংঘটিত হোৱা ঘটনাৰ কথা উল্লেখ কৰি, তাত অবৈধভাৱে ভোটদানৰ মোহৰ তৈয়াৰ কৰা হৈছিল বুলি মাহদী আমিনে প্ৰকাশ কৰিছে। তেওঁ নিৰ্বাচন আয়োগক ভোটদান কেন্দ্ৰসমূহত কঠোৰ নিৰীক্ষণৰ ব্যৱস্থা কৰাৰ লগতে মহিলা বুথসমূহত মহিলা বিষয়াসকলক নিয়োগ কৰিবলৈ আহ্বান জনায়। তদুপৰি মাহদী আমিনে নিৰ্বাচনত সম্ভাব্য হিংসা আৰু পৰ্যবেক্ষক নিযুক্তিৰ ক্ষেত্ৰত হোৱা অনিয়মত উদ্বেগ প্ৰকাশ কৰি কয় যে, এই বিষয়সমূহে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচনৰ ক্ষেত্ৰত গুৰুতৰ বাধাৰ সৃষ্টি কৰিছে।

ooooo

নতুন দিল্লীত চলি থকা এছিয়ান ৰাইফল চেম্পিয়নশ্বিপ ২০২৬ত ভাৰতৰ অৰ্জুন বাবুটা আৰু ইলাভেনিল বালাৰিভান যুটিয়ে সোণৰ পদক অৰ্জন কৰি বিশ্ব অভিলেখ আৰু চেম্পিয়নশ্বিপৰ

অভিলেখ স্থাপন কৰিছে। ভাৰতীয় যুটিটোৱে ফাইনেলত ৫০৫ পইণ্ট অৰ্জন কৰি সফলতাৰে তেওঁলোকৰ এছিয়ান খিতাপ অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছে। কোৰিয়াৰ কিম ৰুৰিম আৰু কোৱন ইউঞ্জিয়ে ৫০১ পইন্টেৰে ৰূপৰ পদক আৰু জাপানৰ নাওয়া ওকাডা আৰু মিছাকি নোবাটাই ৪৩৭.৯ পইণ্ট লাভ কৰি ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ তৃতীয়খন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। টছত জিকি আয়ৰলেণ্ডে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে শ্ৰীলংকাই ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৭ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ দ্বিতীয়খন খেলত ইংলেণ্ডে নেপালক ৪ ৰানত পৰস্ত কৰে। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰি ৭টা উইকেটৰ বিনিময়ত ১৮৪ ৰান সংগ্ৰহ কৰে। নেপালে নিৰ্ধাৰিত অভাৰত ছটা উইকেট হেৰুৱাই ১৮০ ৰাণত ইনিংছ সামৰে। ইপিনে, প্ৰথমখন খেলত নিউজিলেণ্ডে আফগানিস্তানক ৫উইকেটত পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ১৮৩ ৰান নিউজিলেণ্ডে ১৩টা বল বাকী থকা অৱস্থাত পাঁচটা উইকেট হেৰুৱাই সংগ্ৰহ কৰি লয়।

০০০০০০০

**সমাপ্ত**